**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। দেশত তেল আৰু গেছৰ নিৰন্তৰ যোগান সুনিশ্চিত কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশ।

২। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰথম বৰ্ষপূৰ্তিত নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত আজি ফাষ্টট্ৰেক আদালতত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ। ***আৰু***

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু ৰাজস্থান ৰয়েলছ্ মুখামুখি।

ooooo

দেশত তেল আৰু গেছৰ নিৰন্তৰ যোগান সুনিশ্চিত কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। পশ্চিম এছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত নতুন দিল্লীত আয়োজিত এখন আন্তঃমন্ত্ৰালয়ৰ বৈঠকত আজি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে চৰকাৰে দেশত ৰন্ধন গেছ, পি এন জি, পেট্ৰ'ল আৰু ডিজেলৰ স্বাভাৱিক যোগান সুনিশ্চিত কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ যোগান স্বাভাৱিক হৈ আছে আৰু কালিৰ দিনটোত ৪৫ লাখৰো অধিক ঘৰুৱা ৰন্ধন গেছৰ বুকিং কৰাৰ লগতে প্ৰায়ে ৫১ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণ কৰা হৈছে। কালিৰ দিনটোত ৮ হাজাৰ টনৰো অধিক ব্যৱসায়িক ৰন্ধন গেছ বিক্ৰী হৈছে বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (সুজাতা শৰ্মা)**

বৈঠকত উদ্যোগ আৰু অন্তৰ্বৰ্তী বাণিজ্য সংবৰ্ধন বিভাগৰ যুটীয়া সচিব নিধি কেশৰৱাণীয়ে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহত আলোকপাত কৰে। তেওঁ কয়, যে পেট্ৰ'লিয়াম আৰু বিস্ফোৰক সুৰক্ষা সংস্থাৰ অধীনত তেওঁলোকৰ বিভাগে ইন্ধন আৰু গেছৰ যোগান যাতে নিৰৱচ্ছিন্নভাৱে অব্যাহত থাকে তাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছে। তেওঁ লগতে কম্প্ৰেছড আৰু প্ৰাকৃতিক গেছ তথা জৈৱ গেছৰ অধীনত বিতৰণ কেন্দ্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ooooo

জম্মু-কাশ্মীৰৰ পেহেলগামত বিগত বছৰৰ আজিৰ দিনটোত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ এবছৰ পূৰ্ণ হোৱা উপলক্ষে আজি এই আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। যোৱা বছৰ

আজিৰ দিনটোতে পেহেলগামত সন্ত্ৰাসবাদীয়ে ২৬ জন নিৰীহ লোকক হত্যা কৰিছিল। ইয়াৰে ভিতৰত অধিকাংশই পৰ্যটক আছিল।

উল্লেখযোগ্য যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতীয় সেনাই যোৱা বছৰ ৬ আৰু ৭ মে'ৰ নিশা অপাৰেচন সিন্দূৰ আৰম্ভ কৰিছিল আৰু এই অভিযানত পাকিস্তানত থকা সন্ত্ৰাসবাদী কেইবাটাও ঘাটি ধ্বংস কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ এবছৰ হোৱা উপলক্ষে এই আক্ৰমণত নিহত লোকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে দেশত সন্ত্ৰাসবাদীৰ সকলোধৰণৰ কূটাঘাতমূলক কাৰ্য দৃঢ়তাৰে প্ৰতিহত কৰা হ'ব।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সন্ত্ৰাসবাদীসকলে চলোৱা ভয়ংকৰ আক্ৰমণত নিৰ্দোষী লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা দেশবাসীয়ে মনত ৰাখিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশে কোনোধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য নকৰে আৰু তেওঁলোকৰ ভয়ংকৰ অভিসন্ধি কেতিয়াও সফল হ'বলৈ দিয়া নহব। বিগত বৰ্ষৰ আজিৰ দিনটোৰ সন্ত্ৰাসবাদী আক্ৰমণৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে এই আক্ৰমণত নিহত হোৱা লোকসকলক সদায় মনত ৰখা হ'ব বুলি উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে এই দুখৰ সময়ত দেশ সংকল্পৰে ঐক্যবদ্ধ হৈ আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাইও এই ঘটনাত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে।

ooooo

অহা ৪ মে'ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে জিলা নিৰ্বাচন বিভাগসমূহে প্ৰস্তুতি অব্যাহত ৰাখিছে। লখিমপুৰ জিলাত আজি ভোটগণনাত জড়িত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত সমগ্ৰ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে সকলো দিশ চালি জাৰি চোৱা হয়। উল্লেখযোগ্য যে আয়োগে অহা ২৫ এপ্ৰিলত ৰাজ্যৰ সকলো জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়াক গুৱাহাটীলৈ তলব কৰিছে। সেইদিনা ভোটগণনাৰ সৈতে জড়িত প্ৰায় ২০০ গৰাকী বিষয়াক বিশেষ প্ৰশিক্ষণ দিয়া হ'ব। বিশেষকৈ ভোটগণনা প্ৰক্ৰিয়া কেনেদৰে পৰিচালনা কৰা হ'ব, কাউণ্টিং এজেণ্ট - সংবাদ মাধ্যমৰ সৈতে কিদৰে যোগাযোগ ৰক্ষা কৰা হ'ব, সেই বিষয়ে পুংখানুপুংখভাৱে ব্যাখ্যা কৰা হ'ব। জিলা আয়ুক্তসকলে গুৱাহাটীত প্ৰশিক্ষণ লাভ কৰাৰ পাছত ৩০ এপ্ৰিলৰ পৰা নিজ নিজ জিলাত ভোটগণনাৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ প্ৰদান কৰিব।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰে। অভিযুক্তৰ হৈ জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই যুক্তি দৰ্শোৱাৰ বিপৰীতে অসম চৰকাৰৰ হৈ বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে জামিন আবেদনৰ তীব্ৰ বিৰোধিতা কৰে। অভিযুক্ত পক্ষই উত্থাপন কৰা যুক্তিসমূহ খণ্ডন কৰি লোক অধিবক্তাগৰাকীয়ে শ্যামকাণু মহন্তই জুবিন গাৰ্গক সুৰা যোগান ধৰাৰ তথ্যও আদালতৰ মজিয়াত দাঙি ধৰে। এই জামিন আবেদনৰ পৰৱৰ্তী শুনানি কাইলৈ ধাৰ্য

কৰা হৈছে। উল্লেখযোগ্য যে এই গোচৰৰ আন এজন অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাইও শপতনামাৰ সৈতে এখন জামিন আবেদন আদালতত দাখিল কৰিছিল যদিও আজি শুনানিত আদালতে এই শপতনামাত কেতবোৰ বিসংগতি প্ৰত্যক্ষ কৰে। ইয়াৰ বাবে শপতনামাখন গ্ৰহণ নকৰি পুনৰ নতুনকৈ দাখিল কৰিবলৈ সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাক নিৰ্দেশ দিয়া হৈছে। আজিৰ শুনানি সন্দৰ্ভত লোক অধিবক্তা জিয়াউল কামাৰে এইদৰে কয়।

বাইট

ooooo

ৰাজ্যৰ বিশিষ্ট সাংবাদিক, অসমীয়া প্ৰতিদিন কাকতৰ প্ৰাক্তন সম্পাদক, নিৱন্ধকাৰ নিত্য বৰাৰ আজি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি সাংবাদিকগৰাকী চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। ১৯৪৪ চনৰ ১ ছেপ্তেম্বৰত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত জন্মগ্ৰহণ কৰা বৰাই কেইবাখনো গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছিল। ২০১৮ চনত অসম সাহিত্য সভাই তেওঁক লক্ষ্মীনাথ ফুকন সাংবাদিকতা বঁটাৰে সন্মানিত কৰিছিল। সাংবাদিকগৰাকীৰ নশ্বৰ দেহ আজি নিশাৰ ভাগত গুৱাহাটীলৈ অনা হ'ব আৰু কাইলৈ দিনৰ এঘাৰ বজাত গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব। তেওঁৰ মৃত্যুত সংবাদজগতৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ লগতে বহু লোকে শোক প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰবীন সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সুদীৰ্ঘ কাল অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰা বৰাৰ বিয়োগত অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে বৰাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিশিষ্ট সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসোণোৱালে কয় যে সমাজ সচেতনতাৰে অসমৰ সংবাদ জগতৰ লগতে বৌদ্ধিক জগতৰ উৎকৰ্ষ সাধনত আগবঢ়োৱা অৰিহণাৰ বাবে সাংবাদিকগৰাকী চিৰস্মৰণীয় হৈ ৰ'ব।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি কয় যে এগৰাকী নিষ্ঠাবান, দায়িত্বশীল আৰু সুদূৰপ্ৰসাৰী চিন্তাধাৰাৰ ব্যক্তি হিচাপে তেওঁ সংবাদ ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়াই গৈছে। তেওঁৰ সম্পাদকীয় নেতৃত্ব, ন্যায় নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা সমাজৰ বাবে স্মৰণীয় হৈ ৰব বুলি তেওঁ উল্লেখ কৰে। বৰাৰ বিয়োগত কেইবাগৰাকীও বিশিষ্ট সাংবাদিকেও গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

ধেমাজি জিলাৰ গাই নৈৰ ওপৰত দলং নিৰ্মাণ কৰা ঠিকাদাৰী প্ৰতিষ্ঠান আৰু লোক নিৰ্মাণ বিভাগৰ বিৰুদ্ধে জাতীয়তাবাদী যুৱ পৰিষদে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজিৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত সংগঠনটোৱে জিলাখনৰ নিলখৰৰ পৰা বালিজান সংযোগী গাই নৈৰ ওপৰত দলং নিৰ্মাণ কৰা প্ৰতিষ্ঠানটোক ব্লেকলিষ্ট কৰাৰ বাবে দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে ৰঙালী বিহুৰ দিনাই গাই নৈৰ ওপৰত নিৰ্মীয়মান দলঙৰ গাডাৰ ভাঙি পৰিছিল। দলং নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ এনে নিম্নমানৰ কামৰ বিৰুদ্ধে স্থানীয় ৰাইজ তথা দল-সংগঠনে কেইবাবাৰো আবেদন জনোৱাৰ পাছতো লোকনিৰ্মাণ বিভাগ তথা জিলা প্ৰশাসনৰ

ফালৰ পৰা কোনো কাৰ্যকৰী ব্যৱস্থা নোলোৱাত আজি ইয়াৰ বিৰুদ্ধে জাতীয়তাবাদী যুৱ পৰিষদে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে বুলি সংগঠনটোৰ সদস্যসকলে আমাৰ সংবাদদাতাৰ আগত জনাইছে।

ooooo

ধেমাজি জিলাৰ জোনাইৰ **পৰা** সংৰক্ষিত বনাঞ্চলত চোৰাং চিকাৰীৰ বিৰুদ্ধে অভিযান আৰু অধিক তীব্ৰ কৰি তোলাৰ বাবে অঞ্চলটোৰ জনসাধাৰণ তথা বিভিন্ন প্ৰকৃতিপ্ৰেমী দল-সংগঠনে বন বিভাগৰ প্ৰতি আহ্বান জনাইছে। সংৰক্ষিত বনাঞ্চলখনত দীৰ্ঘদিন ধৰি চোৰাং চিকাৰীয়ে বহু মূল্যবান গছ কাটি বনাঞ্চলখনলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি স্থানীয় লোকে অভিযোগ তুলিছে। জোনাইৰ একাংশ লোকে বনাঞ্চলৰ ভিতৰত ভালেমান মূল্যবান গছ কটাৰ দৃশ্য প্ৰত্যক্ষ কৰি ক্ষোভ প্ৰকাশ কৰিছে। জনসাধাৰণে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰি বনাঞ্চলখনক চোৰাং চিকাৰীৰ পৰা উদ্ধাৰ কৰিবলৈ বন বিভাগৰ প্ৰতি আহ্বান জনাইছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ooooo

ঃঃ সমাপ্ত ঃঃ